**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ উভয় সদনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাৰ উত্তৰ দি আজি কয় যে, ভাৰতীয় সংবিধানখন কেৱল কেইটামান অনুচ্ছেদৰ সমষ্টিয়েই নহয়, বৰঞ্চ ইয়াৰ মাজত নিহিত হৈ থকা প্ৰাণচঞ্চলতা আৰু শব্দসমূহ চৰকাৰৰ বাবে অতিশয় মূল্যৱান।

২। অসমত বান পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন কৰ্তৃপক্ষই জাৰি কৰা তথ্য অনুসৰি ৰাজ্যৰ মুঠ ২৮ খন জিলা বৰ্তমানলৈ বানৰ কবলত পৰিছে।

৩। দক্ষিণ-পশ্চিম মৌচুমী বতাহ সম্প্ৰতি ৰাজস্থান, হাৰিয়ানা আৰু পাঞ্জাবৰ অৱশিষ্ট অংশসমূহৰ দিশে অগ্ৰসৰ হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত পৰৱৰ্তী চাৰিটা দিনত মজলীয়াৰ পৰা মুষলধাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

৪। উত্তৰ প্ৰদেশৰ হাথৰছত এখন ধৰ্মীয় সমাবেশৰ সময়ত কালি সংঘটিত হেঁচা-ঠেলাৰ ঘটনাত পদপিষ্ট হৈ মৃত্যুমুখত পৰা লোকৰ সংখ্যা ১২১ লৈ বৃদ্ধি পাইছে।

**আৰু**

৫। এছিয়াৰ আটাইতকৈ প্ৰাচীন তথা বিশ্বৰ তৃতীয় পুৰণি ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপৰ ১৩৩ সংখ্যক সংস্কৰণ অহা ৭ জুলাইৰ পৰা অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, ভাৰতীয় সংবিধানখন কেৱল কেইটামান অনুচ্ছেদৰ সমষ্টিয়েই নহয়, বৰঞ্চ ইয়াৰ মাজত নিহিত হৈ থকা প্ৰাণচঞ্চলতা আৰু শব্দসমূহ চৰকাৰৰ বাবে অতিশয় মূল্যৱান। সংসদৰ উভয় সদনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাৰ উত্তৰ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে চৰকাৰখনক পথ নিৰ্দেশনা প্ৰদান কৰিব পৰাকৈ সংবিধানখনক এটা আলোকগৃহ বুলি অভিহিত কৰে।

বাবাছাহেব ভীমৰাও আম্বেদকাৰৰ অৱদানসমূহৰ শলাগ লৈ তেওঁ কয় যে, দেশৰ সংবিধানে সম্প্ৰতি ৭৫ বছৰ পূৰ কৰাৰ দিশে অগ্ৰসৰ হৈছে। নিজৰ বক্তব্যত শ্ৰীমোদীয়ে সম্প্ৰতি জনসাধাৰণৰ উৎসৱৰ পৰিণত হোৱা সংবিধান দিৱস উদযাপন বিৰোধিতা কৰা সকলৰ সমালোচনাত সৰৱ হৈ পৰে।

আনহাতে প্ৰধানমন্ত্ৰীয়ে বক্তব্য প্ৰকাশ কৰা সময়ত কংগ্ৰেছ, ডি এম কে, টি এম চি, আম আদমী পাৰ্টি আৰু আন বিৰোধী দলৰ সদস্যসকল সদনৰ মজিয়ালৈ উঠি আহি হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰাত সভাপতি জগদীপ ধনখড়ে তেঁওলোকক নিজ নিজ আসনলৈ উভতি যাবলৈ আহ্বান জনায়। ইয়াৰ পাছত বিৰোধী

সাংসদসকলে সদন ত্যাগ কৰে। বিৰোধীৰ সদন ত্যাগৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰীয়ে, তেওঁলোকৰ নিজে উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ শুনিবলৈ সাহস নাই বুলি মত প্ৰকাশ কৰি এই কাৰ্যক তেওঁ উচ্চ সদনৰ প্ৰতি অৱজ্ঞা বুলি অভিহিত কৰে। আনহাতে ৰাজ্যসভাৰ সভাপতিগৰাকীয়েও বিৰোধী পক্ষই সদন ত্যাগ কৰা কাৰ্যক লৈ অসন্তুষ্টি ব্যক্ত কৰে।

ইয়াৰ পূৰ্বে আজি পুৱা সদন মিলিত হোৱাৰ সময়ত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱক লৈ আলোচনা আৰম্ভ হোৱাৰ পাছতেই ইউ পি পি এল দলৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীয়ে এক্ট ইষ্ট পলিচিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে, চৰকাৰৰ এই নীতিয়ে উত্তৰ-পূৰ্বাঞ্চললৈ শান্তি কঢ়িয়াই আনিব। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনে ব্যাপক হাৰত উন্নয়নৰ মুখ দেখিছে বুলিও তেওঁ লগতে মত প্ৰকাশ কৰে।

আনহাতে সদনত আজি উত্তৰ প্ৰদেশৰ হাথৰছত কালি পদপিষ্ট হৈ প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।  সভাপতি জগদীপ ধনখড়ে এই ঘটনাক অতিশয় দুখজনক আৰু দুৰ্ভাগ্যজনক বুলি আখ্যা দিয়ে। বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জন খাৰ্গেই এনে ঘটনা প্ৰতিহিত কৰাৰ বাবে আইন প্ৰণয়নৰ পোষকতা কৰে।

০০০০০০০

অসমত বান পৰিস্থিতি ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন কৰ্তৃপক্ষই জাৰি কৰা তথ্য অনুসৰি ৰাজ্যৰ মুঠ ২৮ খন জিলা বৰ্তমানে বানৰ কবলত পৰিছে। আনহাতে এই জিলাসমূহৰ মুঠ দুহেজাৰ ২০৮ খন গাঁৱৰ ১১ লাখ ৩৪ হাজাৰৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি বানৰ ফলত ৰাজ্যৰ ৪২ হাজাৰ ৪৭৬ হেক্টৰ কৃষি ভূমি পানীত বুৰ গৈছে। বান পীড়িতসকলক আশ্ৰয় আৰু সাহায্য আগবঢ়াবলৈ চৰকাৰ আৰু প্ৰশাসনে বৰ্তমানে ১৩০টা সাহায্য শিবিৰ সক্ৰিয় কৰি ৰাখিছে। এই শিবিৰসমূহত এতিয়ালৈকে ১৮ হাজাৰ ৪৫৯ জন বানপীড়িতই আশ্ৰয় গ্ৰহণ কৰিছে। চৰকাৰী তথ্য অনুসৰি চলিত বৰ্ষৰ বানত এই পৰ্যন্ত ৩৮ জন লোকৰ মৃত্যু হৈছে।

উল্লেখযোগ্য যে, অসমৰ উপৰিও চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ তথা অন্যান্য নৈ-উপনৈসমূহ ওফন্দি ঠায়ে ঠায়ে মথাউৰি ছিগি বিভিন্ন অঞ্চল বুৰাই পেলাইছে। দুলীয়াজান সমষ্টিৰ টেঙাখাট হাতীবন্ধা ঘুমতলত বুঢ়ীদিহিং নৈৰ কাষতে থকা মথাউৰিটো কালি প্ৰায় ৫০ মিটাৰ অংশ ছিঙি যোৱাৰ ফলত দাঁতি কাষৰীয়া বিভিন্ন অঞ্চল বানত বুৰ যায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ ক্ৰমে কালিৰ নিশাৰ ভাগতে মন্ত্ৰী ৰঞ্জিত দাসে মথাউৰিটো পৰিদৰ্শন কৰি জিলা প্ৰশাসনক অধিক তৎপৰতাৰে বানপীড়িত ৰাইজৰ বাবে স্থাপন কৰা আশ্ৰয় শিবিৰত খাদ্য-পানী-ঔষধ আদিৰ লগতে পশুধনৰ বাবেও আহাৰ যোগান ধৰিবলৈ নিৰ্দেশ দিয়ে।

ইপিনে, কালি নিশা কলিয়াবৰৰ কলংমুখত হাতীমূঢ়া মথাউৰিৰ ছিগা অংশ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভগ্ন মথাউৰি অংশত জিঅ' বেগৰ জৰিয়তে পানীৰ প্ৰকোপ যথাসম্ভৱ হ্ৰাসৰ ব্যৱস্থা গ্ৰহণৰ লগতে বানত ক্ষতিগ্ৰস্ত ৰাইজক পৰ্যাপ্ত খাদ্য তথা জৰুৰী সাহায্য সামগ্ৰী প্ৰদানৰ বাবে নগাঁৱৰ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে গোলাঘাটত উপস্থিত হৈ জিলাখনৰ বিভিন্ন অঞ্চলৰ বান পৰিস্থিতিৰ বুজ লয়।

ইফালে, মুখ্যমন্ত্ৰীৰ নিৰ্দেশ ক্ৰমে, বিমল বৰা, ডাঃ ৰণোজ পেগু, পীযুষ হাজৰিকা, সঞ্জয় কিষানকে ধৰি অসম মন্ত্ৰীসভাৰ কেইবাগৰাকীও মন্ত্ৰীয়ে বানৰ কবলত পৰা অঞ্চলসমূহ পৰিদৰ্শন কৰি প্ৰশাসনক যুদ্ধকালীন ক্ষিপ্ৰতাৰে উদ্ধাৰ অভিযান আৰু বানপীড়িতক সাহায্য প্ৰদান অব্যাহত ৰাখিবলৈ যাৱতীয় নিৰ্দেশ দিয়ে।

০০০০০০০

দক্ষিণ-পশ্চিম মৌচুমী বতাহ সম্প্ৰতি ৰাজস্থান, হাৰিয়ানা আৰু পাঞ্জাবৰ অৱশিষ্ট অংশসমূহৰ দিশে অগ্ৰসৰ হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে সমগ্ৰ দেশতে স্বাভাৱিকতকৈ ছদিন পূৰ্বে দক্ষিণ-পশ্চিম মৌচুমী বতাহ প্ৰৱাহিত হৈছে। বিভাগটোৰ শেহতীয়া তথ্য অনুসৰি অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত পৰৱৰ্তী চাৰিটা দিনত মজলীয়াৰ পৰা মুষলধাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত দেশৰ উত্তৰ-পশ্চিম আৰু মধ্য অংশতো গাজনি, ঢেৰেকণি আৰু বিজুলীৰে সৈতে পাতলীয়াৰ পৰা মজলীয়া ধৰণৰ বৰষুণ হোৱাৰ সম্ভাৱনা ব্যক্ত কৰাৰ লগতে আজি দিনটোত পাঞ্জাব, হাৰিয়ানা, উত্তৰাখণ্ড আৰু গুজৰাটৰ লগতে হিমাচল প্ৰদেশ, দিল্লী, উত্তৰ প্ৰদেশ, ৰাজস্থান, চত্তিশগড় আৰু মধ্যপ্ৰদেশতো ধাৰাসাৰ বৰষুণ অব্যাহত থাকিব বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

০০০০০০০

কংগ্ৰেছ দলৰ সাংসদ তথা লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে এটা নিৰ্দিষ্ট সম্প্ৰদায়ৰ বিৰুদ্ধে মত প্ৰকাশ কৰাৰ অভিযোগত দিল্লীৰ বিজেপি নেতাসকলে আজি তেওঁৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দিল্লীৰ বিজেপিৰ সাংসদ বান্সুৰি স্বৰাজে শ্ৰীগান্ধীৰ বিৰুদ্ধে দায়িত্বহীন মন্তব্য প্ৰকাশৰ অভিযোগ উত্থাপন কৰে। সাংসদ গান্ধীয়ে তুষ্টিকৰণৰ ৰাজনীতিৰ আশ্ৰয় লৈ এনেদৰে মন্তব্য প্ৰকাশ কৰা বুলিও তেওঁ অভিযোগ কৰে।

আনহাতে ৰাহুল গান্ধীয়ে এই অভিযোগ অস্বীকাৰ কৰি কয় যে, তেওঁ প্ৰকাশ কৰা মন্তব্য দৰাচলতে বিজেপিৰ প্ৰতিহে আছিল, কোনো নিৰ্দিষ্ট সম্প্ৰদায়ৰ বিৰুদ্ধে তেওঁ কোনোধৰণৰ মত প্ৰকাশ কৰা নাছিল।

০০০০০০০

হাঙ্গেৰীৰ প্ৰধানমন্ত্ৰী ভিক্টৰ অৰ্বানে মস্কোৰ সৈতে আলোচনা প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ পথ প্ৰশস্ত কৰাৰ উদ্দেশ্যে যুদ্ধবিৰতিৰ বিষয়টো বিবেচনা কৰিবলৈ ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভল'দিমিৰ জেলেনস্কিক আহ্বান জনাইছে। পৰৱৰ্তী ছমাহৰ বাবে ইউৰোপীয় সংঘৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছতেই প্ৰথমবাৰৰ বাবে ইউক্ৰেইন ভ্ৰমণলৈ যোৱা হাঙ্গেৰীৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে যুদ্ধবিধ্বস্ত দেশখনৰ ৰাষ্ট্ৰপতিগৰাকীক এই আহ্বান জনায়।

কিয়েভত এই সন্দৰ্ভত তেওঁ কয় যে, ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ যুদ্ধবিৰতিয়ে এই যুদ্ধৰ অৱসানৰ হকে আলাপ-আলোচনাৰ গতি ত্বৰান্বিত কৰিব। উল্লেখযোগ্য যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক থকা অৰ্বানে বিগত সময়ছোৱাত ইউক্ৰেইনলৈ পাশ্চাত্যৰ সমৰ্থনক সমালোচনা কৰি অহা পৰিলক্ষিত হৈছে।

ইপিনে ইউক্ৰেইনৰ বৈদেশিক মন্ত্ৰী ডিমিট্ৰ' কুলেবাই কয় যে, শান্তিৰ প্ৰসংগক লৈ হাঙ্গেৰীৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে তেওঁৰ দেশৰ ৰাষ্ট্ৰপতি জেলেনস্কিৰ গঠনসমূলক আলোচনা সম্পন্ন হয়। এই

সময়ছোৱাত নেতা দুয়োগৰাকীয়ে ইউক্ৰেইনত বসবাস কৰি থকা হাঙ্গেৰীৰ প্ৰায় এক লাখ নাগৰিকৰ প্ৰসংগকে ধৰি বিভিন্ন দ্বিপাক্ষিক বিষয়ক লৈ আলোচনা কৰে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ অহা ৫ জুলাইত হ'বলগা প্ৰথমখন কোৱাৰ্টাৰ ফাইনেল দুটা প্ৰাক্তন বিশ্ব চেম্পিয়ন  দল জাৰ্মানী আৰু স্পেইন পৰস্পৰৰ মুখামুখি হ'ব। ইফালে, সেইদিনাই হ'বলগা আন এখন কোৱাৰ্টাৰ ফাইনেলত প্ৰাক্তন বিশ্ব চেম্পিয়ন ফ্ৰান্সে ইউৰো কাপৰ চেম্পিয়ন পৰ্টুগালৰ বিৰুদ্ধে খেলিব। ইংলেণ্ড অহা ৬ জুলাইত হ'বলগা কোৱাৰ্টাৰ ফাইনেলত ছুইজাৰলেণ্ডৰ মুখামুখি হোৱাৰ বিপৰীতে অন্তিমখন কোৱাৰ্টাৰ ফাইনেল নেডাৰলেণ্ডছ আৰু তুৰস্কৰ মাজত অনুষ্ঠিত হ'ব।

০০০০০০০

এছিয়াৰ আটাইতকৈ প্ৰাচীন তথা বিশ্বৰ তৃতীয় পুৰণি ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপৰ ১৩৩ সংখ্যক সংস্কৰণ অহা ৭ জুলাইৰ পৰা অনুষ্ঠিত হ'ব। ভাৰতীয় সেনাই আয়োজন কৰা এই প্ৰতিযোগিতা এইবাৰ অসমৰ কোকৰাঝাৰৰ লগতে শ্বিলং, জামছেদপুৰ আৰু কলকাতাত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, এইবাৰৰ প্ৰতিযোগিতাত মুঠ ২৪টা দলে অংশগ্ৰহণ কৰিব।

০০০০০০০

সমাপ্ত